# তেজপুৰ বিশ্ববিদ্যালয় সঙ্গীত

কথা আৰু সুৰ – ড° ভূপেন হাজৰিকা

অগ্নিগড়ৰ স্থাপত্য, কলীয়াভোমোৰাৰ সেঁতু নিৰ্মাণ
জ্ঞান জ্যোতিৰ্ময়
সেহি স্থানতে বিৰাজিছে তেজপুৰ বিশ্ববিদ্যালয়

ভূ-গৰ্ভৰ পৰা গ্ৰহ নক্ষত্ৰত গণনাৰে কৰোঁ বিচৰণ
বিজ্ঞান জোঁৰাৰৰ অগ্ৰগতিক আহুতিৰে কৰোঁ ৰূপায়ন
আয়ত্ব কৰি কলা-কৌশল
কৰি যাঁও দিক্-নিৰ্ণয়
মানৱতাবাদৰ ধ্যানৰ প্ৰতীক তেজপুৰ বিশ্ববিদ্যালয়
তেজপুৰ বিশ্ববিদ্যালয়

বৰলুইত বৈ যায় কাষেদি আমাৰ
সেই শক্তিৰে উজ্বলাম দুটি পাৰ
সোপান বগাম তীব্ৰ গতিৰে
প্ৰযুক্তিবিদ্যাৰে হৈ নিৰ্ভয়
জীৱন যুঁজত বিজ্ঞান সাৰথি তেজপুৰ বিশ্ববিদ্যালয়
তেজপুৰ বিশ্ববিদ্যালয়

************

(During the first meeting of Board of Management (BoM) of Tezpur University held on 14/09/1994 at Hotel Luit of Tezpur, esteemed members of the BoM had requested Dr. Bhupen Hazarika (He was a BoM member of the University) to compose a song for the University. Dr. Hazarika agreed and composed a song. During the second BoM held on 14/12/1994, BoM had accepted the song as “Vishyavidyalaya Geet”. This song is considered as the Tezpur University anthem.)